ৰাজনীতি

অন্তৰ্তীকালীন জামিন লাভৰ পিছতে কাৰাগাৰৰ পৰা ওলাল আজম খান

ধন সৰবৰাহৰ গোচৰত এলাহাবাদ উচ্চ ন্যায়ালয়ৰ অন্তৰ্তীকালীন জামিন লাভ কৰাৰ পিছত বুধবাৰে দাসনা কাৰাগাৰৰ পৰা মুক্তি লাভ কৰে আজম খানে।

প্ৰকাশ: ১৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৫৭



Azam Khan (NewzNow)

সমাজবাদী পার্টিৰ জ্যেষ্ঠ নেতা আজম খানে অৱশেষত গাজিয়াবাদৰ দাসনা কাৰাগাৰৰ পৰা মুক্তি লাভ কৰিছে। ধন সৰবৰাহৰ গোচৰত এলাহাবাদ উচ্চ ন্যায়ালয়ে অন্তৰ্তীকালীন জামিন প্ৰদান কৰাৰ পিছত বুধবাৰে কাৰাগাৰৰ পৰা ওলাই আহে ৭৮ বছৰীয়া নেতাগৰাকী। জামিনৰ আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছতে তেওঁৰ মুক্তিৰ পথ মুকলি হয়।

আদালতৰ এই সকাহৰ পূর্বে মঙলবাৰে উচ্চতম ন্যায়ালয়ে ভুৱা জন্ম প্রমাণ-পত্রৰ গোচৰত আজম খানৰ দোষী সাব্যস্ত হোৱাৰ নির্দেশ স্থগিত ৰখাৰ বিৰুদ্ধে উত্তৰ প্রদেশ চৰকাৰে দাখিল কৰা আবেদন খাৰিজ কৰিছিল। একে গোচৰত তেওঁৰ পত্নী তাজিন ফাতিমা আৰু পুত্র আব্দুল্লা আজমেও সকাহ লাভ কৰে।

ধন সৰবৰাহৰ গোচৰত বলপূর্বকভাৱে গ্রেপ্তাৰ কৰাৰ প্রক্রিয়াক লৈ আজম খানে আদালতৰ কাষ চাপিছিল। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ ৰাজীৱ গুপ্তা আৰু দেৱেন্দ্র সিঙৰ বিচাৰপীঠে গ্রেপ্তাৰৰ সময়ত প্রয়োজনীয় লিখিত কাৰণ প্রদান নকৰাৰ বিষয়টোত আপত্তি প্রকাশ কৰে। আদালতৰ প্রাথমিক পর্যবেক্ষণ অনুসৰি, গ্রেপ্তাৰৰ সময়ত সংবিধানৰ ২২(১) অনুচ্ছেদ আৰু Prevention of Money Laundering Act-ৰ ১৯ নং ধাৰাৰ বাধ্যতামূলক বিধানসমূহ যথাযথভাৱে পালন কৰা হোৱা নাছিল।

উল্লেখ্য যে, যোৱা ৩১ অক্টোবৰত আন এটা গোচৰত জামিন লাভ কৰি ৰামপুৰ কাৰাগাৰৰ পৰা ওলাই অহাৰ কিছু সময়ৰ পিছতে ইডিয়ে আজম খানক পুনৰ গ্রেপ্তাৰ কৰিছিল। এইবাৰ ধন সৰবৰাহৰ গোচৰত তেওঁক আটক কৰি গাজিয়াবাদৰ দাসনা কাৰাগাৰত ৰখা হৈছিল।

ইফালে, উচ্চ ন্যায়ালয়ে প্রদান কৰা অন্তৰ্তীকালীন জামিনক প্রত্যাহ্বান জনাই ইডিয়ে উচ্চতম ন্যায়ালয়ৰ কাষ চাপিছে। বুধবাৰে উচ্চতম ন্যায়ালয়ে আজম খানৰ মুক্তি স্থগিত ৰখাৰ আবেদন গ্রহণ নকৰিলে আৰু ইডিৰ প্রত্যাহ্বানৰ শুনানি বৃহস্পতিবাৰে গ্রহণ কৰাৰ সিদ্ধান্ত লয়। ফলত ইডিৰ আপত্তিৰ মাজতো আজম খানৰ অন্তৰ্তীকালীন জামিনত মুক্তিৰ পথ বন্ধ নহ'ল।

এই গোচৰৰ পৰৱর্তী শুনানি এলাহাবাদ উচ্চ ন্যায়ালয়ে ১০ ডিচেম্বৰত ধার্য কৰিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4240/azam-khan-interim-bail-release